**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পূৰ্বে মৰাণত ভাৰতীয় বায়ুসেনাৰ জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত পৰীক্ষামূলক উৰণ আৰু অৱতৰণ।

২। ২০২৫-২৬ উৎপাদন বৰ্ষত ৰাজ্যৰ অভিলেখ সংখ্যক ৪০ হাজাৰ মেট্ৰিকটন চাহ বিদেশলৈ ৰপ্তানী।

৩। মাজুলী-যোৰহাট সংযোগী দলঙৰ অৱশিষ্ট নিৰ্মাণ কাৰ্যৰ আধাৰশিলাকে ধৰি মুখ্যমন্ত্ৰীৰ মাজুলীত কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ।

৪। ৰাষ্ট্ৰসংঘই ঘোষণা কৰা মহিলা কৃষক বৰ্ষ ২০২৬ৰ অংশ হিচাপে যোৰহাট কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত মহিলা কৃষক মহোৎসৱৰ আজি সামৰণি। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকা ওমানৰ, নেপাল ইটালীৰ আৰু ভাৰত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা শনিবাৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীৰ অসম ভ্ৰমণৰ পূৰ্বে কালি ডিব্ৰুগড়ৰ মৰাণত ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু বিমানে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত পৰীক্ষামূলক উৰণ আৰু অৱতৰণ সম্পন্ন কৰে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কালি ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণৰ কৌশল প্ৰদৰ্শন কৰে। কাইলৈকে চলিবলগীয়া এই পৰীক্ষামূলক উৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণ প্ৰস্তুতিৰ অংশ।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে অহা শনিবাৰে জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। ইয়াৰ পূৰ্বে তেওঁ প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন ভাৰতীয় বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব।

ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখনো মুকলি কৰিব। মুকলিৰ পাছত প্ৰথম ১৫ দিন দলংখন যান-বাহন চলাচলৰ বাবে বন্ধ থাকিব। এই সময়ছোৱাত জনসাধাৰণে দলংখনেৰে খোজকাঢ়ি অহা-যোৱা কৰিব পাৰিব। দলংখনেৰে পহিলা মাৰ্চৰ পৰা বাহন চলাচল কৰিব পাৰিব বুলি কালি প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ সন্দৰ্ভত সাংবাদিকৰে সৈতে বাৰ্তালাপত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে। অত্যাধুনিক পদ্ধতিৰে নিৰ্মাণ কৰা দলংখনত ১ মাৰ্চৰ পৰা সকলো ধৰণৰ বাহন অহা-যোৱা কৰিব পাৰিব বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে, ট্ৰাক আৰু বাছৰ দৰে গধূৰ বাহনৰ ক্ষেত্ৰত টোল কৰ দিব লাগিব যদিও দলংখনত বাকী বাহনৰ ক্ষেত্ৰত কোনো কৰ নালাগে।

শ্ৰীমোদীয়ে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং মুকলি কৰাৰ পাছত গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

০০০০০০

মৰাণত প্ৰধানমন্ত্ৰীৰ জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰ উদ্বোধনৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড় পৌৰ নিগমৰ অধীনৰ পথৰ কাষৰ বজাৰসমূহ ১৪ ফেব্ৰুৱাৰীত সাময়িকভাৱে বন্ধ থাকিব। যান জঁটৰ পৰা হাত সাৰিবলৈ এই ব্যৱস্থা কৰা হৈছে বুলি ডিব্ৰুগড় জিলা প্ৰশাসনে এখন জাননীযোগে নিৰ্দেশনা জাৰি কৰিছে। মৰাণৰ আশে-পাশে থকা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা কেন্দ্ৰসমূহত পৰীক্ষাৰ্থী অসুবিধাৰ সন্মুখীন নহ'বলৈ জিলা প্ৰশাসনে বিকল্প পথ আৰু কেতবোৰ পৰামৰ্শ প্ৰদান কৰি নিৰ্দেশনা জাৰি কৰিছে।

০০০০০০

অসমত ২০২৫-২৬ উৎপাদনত বৰ্ষত ৫০ হাজাৰ মেট্ৰিকটন চাহ উৎপাদন হৈছে আৰু ৪০ হাজাৰ মেট্ৰিকটন চাহ বিদেশলৈ ৰপ্তানি কৰা হৈছে। বৰ্ধিত ৰপ্তানিৰ ৫০ শতাংশই অৰ্থডক্স চাহ বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি এখন সংবাদমেলযোগে প্ৰকাশ কৰে। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত সংবাদমেলখনত মুখ্যমন্ত্ৰীয়ে কয়, যে ২৫ বছৰৰ পাছত ৰাজ্যৰ চাহৰ উৎপাদন বৃদ্ধি পাইছে আৰু বিশ্বৰ বজাৰত অসমে পুনৰ চাহৰ ক্ষেত্ৰত নেতৃত্ব ল'বলৈ আগবাঢ়িছে। অৰ্থডক্স চাহৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰে প্ৰতি কিলোগ্ৰাম চাহত ১০ টকাকৈ ৰাজ সাহায্য দি অহাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে যোৱা বছৰটোত অসমৰ মুঠ চাহৰ বিক্ৰী ১৯ হাজাৰ মেট্ৰিকটনলৈ বৃদ্ধি পাইছিল। চাহ নিলাম কেন্দ্ৰত ৰাজ্যখনৰ অৰ্থডক্স চাহৰ বিক্ৰী ১০০ শতাংশ বৃদ্ধি পাইছে বুলিও তেওঁ জানিবলৈ দিয়ে। ইউৰোপীয় সংঘ, গ্ৰেট ব্ৰিটেইন, আমেৰিকাৰ সৈতে হোৱা বাণিজ্যিক চুক্তিৰ ফলত অসমৰ চাহ উদ্যোগ লাভৱান হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। অৰ্থডক্স চাহৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰে প্ৰতি কিলোগ্ৰামত দি অহা ৰাজ সাহায্য ১০ৰ পৰা ১৫ টকালৈ বৃদ্ধি কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কালি চাহ উৎপাদন সংঘৰ সৈতে হোৱা আলোচনাত প্ৰকাশ কৰে।

বাইট

অসমৰ চাহক বিশ্বৰ বজাৰৰ শীৰ্ষ স্থানত ৰখাৰ বাবে ৰাজ্য চৰকাৰে সংকল্প লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে যোৱা পাঁচ বছৰত তেওঁৰ অনুৰোধমৰ্মে চাহ শ্ৰমিকৰ মজুৰি দুবাৰ বৃদ্ধি কৰা হৈছে। পুনৰ তেওঁলোকৰ মজুৰি বৃদ্ধিৰ বাবে চাহ উৎপাদন সংঘৰ নেতৃত্বক আহ্বান জনোৱাৰ বিষয়েও তেওঁ উল্লেখ কৰে। চলিত মাহৰ শেষভাগত পুনৰ তেওঁ এই সংঘৰ নেতৃত্বৰ সৈতে বৈঠকত মিলিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০

মাজুলী বিধানসভা সমষ্টিত আজি কেইবাটাও প্ৰকল্প শুভাৰম্ভ কৰাৰ লগতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্ম-সহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ বীজ মূলধন বিতৰণ কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী যোগেন মহন আৰু মাজুলীৰ বিধায়ক ভূৱন গাম উপস্থিত থাকিব। জিলাখনৰ গড়মূৰৰ মাণিকা পথাৰত দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মাজুলী-যোৰহাট সংযোগী দলঙৰ অৱশিষ্ট নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিব। এহেজাৰ ১৯ কোটি টকা ব্যয়েৰে এই নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব। তেওঁ ৩৮২ কোটি টকা ব্যয়সাপেক্ষ মাজুলী-যোৰহাট দলং সংযোগী ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰিব। অসম মালাৰ অধীনত ৬৯৫ কোটি টকা ব্যয়েৰে নিৰ্মিত চাৰিলেনযুক্ত দুখন পকী দলং আৰু বালিচাপৰি-বঙালমৰা সংযোগী পথো তেওঁ মুকলি কৰিব। তদুপৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱন আৰু ছাত্ৰী নিবাস, চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, সংহত জিলা আয়ুক্তৰ কাৰ্যালয়, জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ

কাৰ্যালয়, জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়, দক্ষিণপাট সত্ৰ সংগ্ৰহালয় আৰু জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্পও মুখ্যমন্ত্ৰীয়ে মুকলি কৰিব। দুহেজাৰ ২১৮ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্পসমূহ নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে আত্মসহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ প্ৰদান কৰিব। মাজুলীত আজি মুখ্যমন্ত্ৰীৰ উপস্থিতিত এই কাৰ্যসূচীসমূহ সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা বিকাশ শইকীয়া –

**বাইট**

০০০০০০

ৰাজ্যত সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। বিৰোধী ঐক্য মঞ্চ গঠনৰ বাবে অসম প্ৰদেশ কংগ্ৰেছে কালি প্ৰাক্তন সভাপতি ভূপেন বৰাক দায়িত্ব অৰ্পণ কৰিছে। দায়িত্ব লাভ কৰাৰ পাছতে শ্ৰীবৰাই শিৱসাগৰৰ বিধায়ক আৰু বিৰোধী নেতা অখিল গগৈৰ সৈতে বৈঠকৰ দিন নিৰ্ধাৰণ কৰে। কাইলৈ দুয়োজন বিৰোধী নেতাই গুৱাহাটীত এখন বৈঠকত মিলিত হ'ব। এই বৈঠকত সমাগত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আসন ভাগ-বাটোৱাৰাৰ বিষয়টো  আলোচনা কৰা হ'ব বুলি প্ৰদেশ কংগ্ৰেছৰ তৰফৰ পৰা জানিব পৰা গৈছে।

বড়োলেণ্ডতো বিপিএফৰ সদস্যসকলৰ মাজত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। দলটোৱে বিভিন্ন স্তৰত  সাংগঠনিক শক্তি বৃদ্ধি কৰিবলৈ বৈঠক আৰু সাধাৰণ সভাৰ আয়োজন কৰিছে। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে প্ৰাৰ্থিত্ব সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি দলটোৰ নেতৃত্বই জানিবলৈ দিছে।

০০০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৩৬ সংখ্যক বাৰ্ষিক উদ্যান শস্য প্ৰদৰ্শনী তথা প্ৰতিযোগিতা আৰু মহিলা কৃষক উদ্যমী মহোৎসৱৰ আজি সামৰণি পৰিব। অসম কৃষি বিশ্ববিদ্যালয়ৰ সামুহিক বিজ্ঞান মহাবিদ্যালয়ত চলি থকা সৰ্বভাৰতীয় সমন্বিত কৃষিজীৱী মহিলা গৱেষণা প্ৰকল্পৰ অধীনত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। কালি বিশ্ববিদ্যালয়খনৰ ভলীবল কৰ্টৰ খেলপথাৰত আয়োজিত বাৰ্ষিক উদ্যান শস্য প্ৰদৰ্শনী, কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ বিদ্যুৎ চন্দন ডেকাই মুকলি কৰে। এই প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাত শাক-পাচলি, ফল-মূল, ফুল, মচলাজাতীয় শস্য, কাঠফুলা, সুগন্ধি উদ্ভিদ আৰু বিভিন্ন খাদ্য সামগ্ৰী উপলভ্য হৈছে। ৰাষ্ট্ৰসংঘই চলিত বছৰটো মহিলা কৃষকৰ বৰ্ষ হিচাপে কৰা ঘোষণামৰ্মে মহিলা কৃষক মহোৎসৱৰ কাৰ্যসূচী লোৱা হৈছে। কৃষি কাৰ্যৰ সৈতে জড়িত মহিলাসকলৰ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ভূমিকা সম্পৰ্কে সজাগ কৰাৰ লগতে লিংগ বৈষম্য দূৰীকৰণ আৰু সম বিকাশৰ লক্ষ্যৰে এই কাৰ্যসূচী লোৱা হৈছে বুলি সামুহিক বিজ্ঞান মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ আৰু যোগাযোগ ব্যৱস্থাপনা বিভাগৰ মুৰব্বী অধ্যাপক ডঃ ময়ুৰী বৰাই প্ৰকাশ কৰে।

**বাইট**

০০০০০০

আই চি চি টি-২০ ক্ৰিকেট বিশ্বকাপত কালি নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-চি পৰ্যায়ৰ এখন খেলত ৱেষ্ট ইণ্ডিজে ইংলেণ্ডক ৩০ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৯৬ ৰান সংগ্ৰহ কৰে। শ্বাৰফেন ৰাদাৰফোৰ্ডে ৭৬ ৰানৰ বৰঙণি আগবঢ়াই আউট নোহোৱাকৈ থাকে। খেলখনত ইংলেণ্ডে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুওৱাই ১৬৬ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ৱেষ্ট ইণ্ডিজৰ হৈ গুদাকেশ মটিয়ে তিনিটা উইকেট দখল কৰে। কলম্বোত অনুষ্ঠিত গ্ৰুপ বি পৰ্যায়ৰ দ্বিতীয়খন খেলত অষ্ট্ৰেলিয়াই আয়াৰলেণ্ডক ৬৭ ৰানত পৰাস্ত কৰে। প্ৰথমে বেটিং কৰি অষ্ট্ৰেলিয়াই ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৮২ ৰান সংগ্ৰহ কৰে। ইয়াৰ পিছতে আয়াৰলেণ্ডে ১৬ অভাৰ আৰু ৫টা বলত ১১৫ ৰান সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুওৱাই। আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক পৰাস্ত কৰে।

আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত ভাৰতে নামাবিয়াৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। বালাগোল্লাৰ ঘৰুৱা খেলপথাৰত শ্ৰীলংকাই আজি দিনৰ ১১ বজাত ওমানৰ মুখামুখি হ'ব। ইফালে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত বিয়লি ৩ বজাত নেপালে ইটালীৰ বিৰুদ্ধে খেলিব।

০০০০০০

প্ৰধানমন্ত্ৰীৰ আগমণৰ পূৰ্বে উজনি অসমৰ মৰাণত ভাৰতীয় বায়ু সেনাৰ ব্যাপক তৎপৰতা দেখিবলৈ পোৱা গৈছে। জৰুৰীকালীন বিমান অৱতৰণ ক্ষমতাযুক্ত মৰাণৰ ৰাজপথত শনিবাৰে বায়ুসেনাৰ বিশেষ বিমানেৰে প্ৰধানমন্ত্ৰীগৰাকীয়ে অৱতৰণ কৰিব। ৰাফেল, ছুখইৰ দৰে যুদ্ধ বিমানে ৰাষ্ট্ৰীয়ঘাইপথচোৱাত উৰণ অৱতৰণৰ অনুশীলন অব্যাহত ৰাখিছে। আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাককতসমূহৰ প্ৰথমপৃষ্ঠাত  এই বাতৰিটোৱে শিৰোনাম দখল কৰিছে। দৈনিক অসম কাকতত প্ৰকাশিত বাতৰিটোৰ শিৰোনাম হৈছে, মৰাণৰ ৰাজপথত যুদ্ধকালীন প্ৰস্তুতি, ১৪ফেব্ৰুৱাৰীত বিশেষ বিমানেৰে নামিব প্ৰধানমন্ত্ৰী। একেদিনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৱাহাটী উত্তৰ গুৱাহাটী সংযোগী নতুন সেঁতুখনৰো শুভাৰম্ভ কৰিব। দি আচাম টিব্ৰিউন, নিয়মীয়া বাৰ্তা কাকতে এই বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ বিৰুদ্ধে কাৰ্বি আংলং জিলা কংগ্ৰেছ বিশাল দুৰ্নীতিৰ অভিযোগ উত্থাপন কৰিছে। অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত এই বাতৰিটোৰ শিৰোনাম, মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ কাৰ্বি আংলঙৰ মুখ্য কাৰ্যবাহীৰ লুণ্ঠনৰ ভয়াৱহ তথ্য ফাদিল কংগ্ৰেছৰ, তুলিৰামে সুৰাতে ওকুৱালে উন্নয়নৰ ১১৬কোটি টকা। আগন্তক নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ নেতৃত্বত বিৰোধী পক্ষৰ মিত্ৰতা চূড়ান্ত কৰিবলৈ দলৰ শীৰ্ষ নেতৃত্বই ভূপেন বৰাক বিশেষ দায়িত্ব প্ৰদান কৰা বাতৰিটোৱে অনান্য কাকতৰ লগতে অসমীয়া খবৰ কাকততো শিৰোনাম দখল কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত কালি দ্বিতীয়বাৰৰ বাবে গৰিমা শইকীয়া গাৰ্গে সৌমিত্ৰ শইকীয়া ন্যায়িক আয়োগত সাক্ষ্য প্ৰদান কৰে। দৈনিক অগ্ৰদূত কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। চৰকাৰী বেচৰকাৰী অনুষ্ঠানত ৰাষ্ট্ৰীয় সংগীতৰ পূৰ্বে বন্দে মা তৰম গোৱাটো বাধ্যতামূলক কৰা হৈছে বুলি গৃহ মন্ত্ৰালয়ে নিৰ্দেশনা জাৰি কৰিছে। এই বাতৰিটোৱে দৈনিক জনমভূমি কাকতত প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান লাভ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ আৰু অৰুণাচল প্ৰদেশৰ কিছু অংশত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**